Regional News Unit
AKASHVANI, Guwahati
0000000000

Date : 08-08-2025

Time : 17–15 Hrs

Assamese Evening Bulletin

-------------------

00000

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে আজি পুৱাৰে পৰা মেৰাপানী সীমান্তৰ দৈয়াং বনাঞ্চলৰ ২ নম্বৰ নেঘেৰিবিলত উচ্ছেদ চলায়। অঞ্চলটোত অবৈধভাৱে বাস কৰা ২০৫ টা পৰিয়ালৰ ভিতৰত **১৪৬** টা পৰিয়ালক উচ্ছেদৰ লক্ষ্যৰে প্ৰশাসনে এই অভিযান চলাইছে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ উপস্থিতিত অৰ্ধ শতাধিক এস্কেভেটৰ কেইবাশ বনকৰ্মী, আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত এই উচ্ছেদ অভিযান চলোৱা হৈছে। শান্তিপূৰ্ণভাৱে চলা দিনজোৰা উচ্ছেদ অভিযানৰ পাছত নেঘেৰিবিলত ৰাজ্যৰ বিশেষ মুখ্য সচিব এম কে যাদৱে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সচিবগৰাকীয়ে উচ্ছেদ অভিযানৰ প্ৰথম পৰ্যায়ত **১৪৬** টা বাসগৃহ উচ্ছেদ কৰা হয় বুলি জানিবলৈ দিয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ে অঞ্চলটোৰ ৫৯ টা পৰিয়ালক **১৪** আগষ্ট পৰ্যন্ত কিছু সকাহ দিয়াৰ কথা উল্লেখ কৰি শ্ৰী যাদৱে অঞ্চলটোত পুনৰ **১৬** আগষ্টৰ পৰা উচ্ছেদ চলিব বুলি প্ৰকাশ কৰে। তেওঁ লগতে উৰিয়ামঘাটতো **১৫** আগষ্টৰ পাছত পুনৰ উচ্ছেদ চলোৱা হ'ব বুলি জানিবলৈ দিয়ে। ইপিনে, নেঘেৰিবিলত উচ্ছেদিত ভূমিক নগা লোকে নিজৰ বুলি দাবী কৰা সন্দৰ্ভত শ্ৰী যাদৱে কয়, যে অসম আৰু নাগালেণ্ড চৰকাৰে বিষয়টো আলোচনা কৰি মীমাংসা কৰিব। উচ্ছেদিত এলেকাত বন বিভাগে পৰৱৰ্তী সময়ত বনানিকৰণৰ বাবে আঁচনি গ্ৰহণ কৰিব বুলি বিশেষ মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

00000

দেশপ্ৰেমৰ চেতনাৰে জনসাধাৰণক উদ্বুদ্ধ কৰাৰ বাবে দেশজুৰি আজিৰে পৰা **হৰ ঘৰ তিৰংগা** কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত দেশাত্মবোধৰ মানসিকতাৰে ৰাইজক প্ৰেৰিত কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী অনুষ্ঠিত হৈছে।

**বৰপেটা** জিলাত এই কাৰ্যসূচীৰ অংশ হিচাপে চেঙা আদৰ্শ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জাতীয় পতাকাৰ আৰ্হিত মহাবিদ্যালয়ৰ চৌহদত আল্পনা আঁকে। জিলাখনৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলেও আজি স্বচ্ছতাৰ সৈতে স্বাধীনতা দিৱস উদযাপন কৰিবলৈ শপত বাক্য পাঠ কৰে। এই বিষয়া-কৰ্মচাৰীসকলে গাঁৱে গাঁৱে গৈ জনসাধাৰণক নিজৰ নিজৰ অঞ্চলসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ আহ্বান জনাব।

**হোজাই** জিলাৰ ডবকা পৌৰসভাৰ অধীনত হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ অংশ হিচাপে আজি স্বেচ্ছাসেৱী গোটৰ সদস্যসকলে তৈয়াৰ কৰা ত্ৰিৰংগ পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়।

**শ্ৰীভূমি** জিলাত ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত আত্ম সহায়ক গোটসমূহে হৰ ঘৰ তিৰংগা কাৰ্যসূচীৰ বাবে ত্ৰিৰংগ পতাকাৰ যোগান ধৰিব। শ্ৰীভূমি জিলা আয়ুক্তই সকলো বিভাগৰ মুৰব্বীসকলক পতাকাৰ প্ৰয়োজনীয়তাসমূহ **১১** আগষ্টৰ ভিতৰত অৱগত কৰিবলৈ আহ্বান জনাইছে।

00000

মানকাচৰৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী কোকৰাডাঙাত সীমান্ত সংযোগী পথৰ খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে তাৎক্ষণিভাৱে ব্যৱস্থা গ্ৰহণ কৰিছে। বাংলাদেশ সীমান্ত সংযোগী পথৰ ৫ মিটাৰ নিলগলৈ ব্ৰহ্মপুত্ৰ নদী ওচৰ চাপি অহাত পথটোলৈ ভাবুকি কঢ়িয়াই আনিছিল। জিলা প্ৰশাসনৰ নিৰ্দেশত জলসম্পদ বিভাগে বাঁহ আৰু চিমেণ্টৰ পাৰ্কিউপাইন আৰু জিঅ বেগেৰে খহনীয়া প্ৰতিৰোধৰ তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ ফলত খহনীয়া নিয়ন্ত্ৰণলৈ আহিছে। প্ৰশাসন আৰু জলসম্পদ বিভাগে ততপৰতাৰে খহনীয়া প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ নকৰিলে সীমান্ত সংযোগী পথটো চিঙি বৰাইৰ আলগা বি এছ এফৰ কেম্পৰ লগতে শ শ পৰিয়ালৰ ঘৰ মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গলহেতেন। লগতে জিলাখনৰ বৃহত কৃষিভূমি মুহুৰ্তৰ ভিতৰতে  জলমগ্ন হৈ পৰিলহেতেন। স্থানীয় ৰাইজ আৰু দল সংগঠনসমূহে খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

00000

বজালী জিলাৰ সদৰ পাঠশালা ৰে'লৱে ষ্টেচনত **১৫৬৫৭** নম্বৰ উজনিমুৱা আৰু **১৫৬৫৮** নম্বৰ নামনিমুৱা ব্ৰহ্মপুত্ৰ মেইল ৰখোৱাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মহা প্ৰৱন্ধকলৈ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত শ্ৰী দাসে পাঠশালাক বজালী জিলাৰ প্ৰাণকেন্দ্ৰ বুলি উল্লেখ কৰি কয়, যে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা শিক্ষাৰ্থীসকলে ইয়াত শিক্ষা গ্ৰহণ কৰিবলৈ আহে আৰু চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰাও বহু লোকৰ আগমন ঘটে। এই লোকসকলৰ সুবিধাৰ্থে পাঠশালা ৰে'ল ষ্টেচনত এখন হ'লেও দূৰণীবটীয়া ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী শ্ৰী দাসে আহ্বান জনায়। উল্লেখযোগ্য যে পাঠশালা ৰে'ল যাত্ৰী সংস্থাই যোৱা **১৫** জুলাইত মন্ত্ৰী তথা স্থানীয় বিধায়ক ৰঞ্জিত কুমাৰ দাসক এই ষ্টেচনত ব্ৰহ্মপুত্ৰ মেইল ৰে'লখন ৰখোৱাৰ ব্যৱস্থা কৰিবলৈ আবেদন পত্ৰ দাখিল কৰিছিল।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ –Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত  কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ  বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

00000

সমাপ্ত